জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

। ৩৫৪ সংখ্যা, ১৬ শাওণ, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 354। DIBRUGARH, SATURDAY, AUGUST 2, 2025 । পৃষ্ঠা ১৬ (Pages

গছ বিতৰণ কেন্দ্ৰ

## াৰ দাবী
## ছাত্ৰ সন্থাৰ

কৰি ৰাইজক গেছ সেৱা প্ৰদান কৰি ও বিগত ২০১৭ চনত কেন্দ্ৰটোৰ নিতু সোণোৱালৰ মৃত্যু হোৱাত কমাত্ৰ ৰন্ধন গেছ যোগান কেন্দ্ৰটো বন্ধ জিকোপতি এই কেন্দ্ৰটো পুনৰ মুকলি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবে য়ে হাহাকাৰ কৰিবলগীয়া হয়। ছৈখোৱা ত্ৰ সন্থাৰ তিনি উপদেষ্টা ক্ৰমে হেমচন্দ্ৰ শ বৰগোহাঁই আৰু সুনীল গোৱালাৰ াঠনৰ এটা সঁজাতী দলে ২৯ জুলাইত ইণ্ডেন সংমণ্ডল কাৰ্যালয়ৰ সংমণ্ডল াৎ কৰি ছৈখোৱাত বছৰ বছৰ ধৰি বন্ধ হৈ ণ্ডেন গ্ৰামীণ বিতৰক' নামৰ ৰন্ধন গেছ দ্ৰটো সন্দৰ্ভত আলোচনাত মিলিত হোৱাৰ টো পুনৰাম্ভ কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু ম অনুপজ্যোতি দুৱৰা আৰু অভিনন্দন ৰিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

## ৰ হলৌফুকন
## ্যালয়ত ইংৰাজী
## গালাৰ সামৰণি



### ডঃ শশীকান্ত শইকীয়াৰ ৰচিত তিনিখন গ্ৰন্থ উন্মোচন

# 'ভাল লেখক, প্ৰকাশক আৰু পঢুৱৈৰ সংমিশ্ৰণতহে গ্ৰন্থই প্ৰকৃত মূল্য লাভ কৰে'




জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১ আগষ্ট ঃ** 'ভাল লেখক, ভাল প্ৰকাশক আৰু ভাল পঢুৱৈ, এই তিনিটাৰ সংমিশ্ৰণতহে গ্ৰন্থই প্ৰকৃত মূল্য লাভ কৰে।' এই মন্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাৰ। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ তিনিখন গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানত 'কেনেকৈ নিঃশেষ হয় এটা জাতি' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি লগতে কয় যে কিতাপৰ কাহিনী আৰু ঘটনাই কল্পনাৰ ঘোঁৰা দৌৰাব পাৰিলেহে কিতাপে প্ৰকৃত মূল্য লাভ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গ্ৰন্থ অধ্যয়নৰ মানসিকতা গঢ়ি তোলাৰ প্ৰতি আহ্বান জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়।

আনহাতে, দ্বিতীয়খন গ্ৰন্থ 'অসহিষ্ণু সমাজ আৰু মানুহৰ ভৱিষ্যৎ' গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ডঃ গোপাল হাজৰিকাই কয়— আনুষ্ঠানিক বা অনানুষ্ঠানিক যি অনুষ্ঠানেই নহওক সকলোতে ভাগ ল'ব লাগে। সেই ভাগ লোৱাৰ মানসিকতাই আমাৰ জীৱনত জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰে। মানুহে নিজৰ অতীত বাদ দি বৰ্তমান আৰু ভৱিষ্যতটো লক্ষ্য কৰিব লাগে, তেতিয়া মানুহৰ জীৱনত সফলতা আহিবই বুলি উল্লেখ কৰি সমাজৰ অসহিষ্ণুতাই এটা জাতিক নিঃশেষ কৰিবলৈও বেছি পৰ নালাগে বুলি মন্তব্য কৰে। লেখকৰ তৃতীয়খন গ্ৰন্থ 'সপোন খেদি ফুৰাৰ আনন্দ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ডঃ লখিৰাম শইকীয়াই। তেওঁ উন্মোচনী ভাষণত কয় যে আমি সপোন দেখা উচিত। বাল্য কালৰে পৰা বৃদ্ধাৱস্থালৈকে সকলোৱে সপোন দেখে। সেই সপোনৰ প্ৰকাৰ বেলেগ বেলেগ হয়। সপোন যেনেকুৱাই নহওক লাগিলে তাৰ ফলাফল কি হ'ব তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া উচিত। ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈয়ে আদৰণী ভাষণ দিয়া অনুষ্ঠানটিত ডিব্ৰুগড় সাহিত্য সভাৰ জৰিয়তে পৰিৱেশিত চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানতে অধ্যক্ষ ডঃ শইকীয়াক ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰপৰা বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। আনহাতে, বিভিন্ন দল-সংগঠন, অনুষ্ঠান, শুভাকাংক্ষী আদিয়ে গ্ৰন্থ উন্মোচনী অনুষ্ঠানতে তেওঁৰ জন্মদিন উপলক্ষে ফুলাম গামোচা, চেলেং, গন্থৰ টোপোলা, ফুলৰ থোপা আদিৰে শুভেচ্ছা জনায়। অনুষ্ঠানত ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ খনীন্দ্ৰ মিশ্ৰ ভাগৱতী, বিশিষ্ট লেখিকা ডঃ ভাৰতী দত্ত, আৰাধনা দত্ত, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ডঃ চুলতানা হাজৰিকা, অধ্যাপক ডঃ জ্যোতিপ্ৰসাদ ফুকন, ডঃ মৃদুল শৰ্মা, আদিত্য দাহাল, নাহৰকটীয়া মাহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ কল্যাণ বৰুৱা, ক্ৰীড়া সংগঠক মণি শইকীয়া, সদৌ অসম লেখিকা সন্থাৰ প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকা দত্তকে প্ৰমুখ্য কৰি ডিব্ৰুগড় সাহিত্য সভাৰ বহু বিষয়ববীয়া আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

সদস্য হিচাপে লৈ অ
সমাজৰ ডুমডুমা
সমিতিখন নতুনকৈ গঠ
সভাই প্ৰদীপ ভট্টাচা
প্ৰতিনিধি হিচাপে মনো

## ধেনুচোছা প্ৰা
## বিদ্যালয়ৰ কু
## প্ৰতিযোগি
## ফলাফল

নিজা বাতৰি দিওঁতা

**নিমাতীঘাট, ১ আগষ্ট ঃ** যোৰহাটৰ ৮৬ নং প্ৰাথমিক শতপঞ্চবিংশতিতম উপলক্ষে ২০ জুলাই শাখাত কুইজ প্ৰতিযোগি হয়। কুইজৰ 'ক' শা দ্বিতীয়, তৃতীয় স্থান লা বাল্যভৱন (যোৰহাট), (বাঘচোং) আৰু ৮ প্ৰাথমিক বিদ্যালয়ে। শীৰ্ষস্থান লাভ কৰে পাব্লিক হাইস্কুল এক্সেলিয়াৰ ছিনিয়ৰ স্কুল আৰু বাল্যভৱন ( এ। 'গ' শাখাত প্ৰথম, দীপাংকৰ বিদ্যালয় আ হাইস্কুল। কুইজ প্ৰ পৰিচালনা কৰে আলোচনীৰ সম্পাদ কুমাৰ শইকীয়া আৰু জঁ মাধ্যমিক বিদ্যালয়ৰ বি ধৃতি সুন্দৰ শৰ্মাই। বি পুৰস্কাৰসমূহ ১৫ নৱেম্ব মুকলি সভাত প্ৰদান ক উদ্‌যাপন সমিতিয়ে জ